Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

দশম শ্ৰেণীৰ বাবে

দ্বিতীয় ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বাধ্যতামূলক)

পাঠ - ১১

অৰণ্যযাত্ৰা

অংশ - ১

অংগৰাগ ভূঞা



এটা খড়্গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

গদ্যাংশ



অৰণ্যযাত্রা

অনুৰাধা শর্মা পূজাৰী

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

অৰণ্যযাত্ৰা

পাহিৰ যোৱা তিনিদিনমান ধৰি গাত তত্ নাইকিয়া হৈছে। এইবাৰ বিদ্যালয়ৰ গৰমৰ বন্ধৰ প্ৰথম সপ্তাহতে চাৰিদিনৰ বাবে অষ্টম আৰু নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক এখন অৰণ্যলৈ নিয়া হ'ব বুলি শ্ৰেণী শিক্ষকে ঘোষণা কৰাৰ দিনৰেপৰা দুয়োটা শ্ৰেণীত উখল-মাখল পৰিৱেশ। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কেৱল এটাই আলোচনা-কোনখন অৰণ্যলৈ যাব।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কোনোবাই মানাহ অভয়াৰণ্যৰ কথা ক'লে; কোনোবাই কাজিৰঙাৰ কথা ক'লে। কিন্তু বিদ্যালয় কর্তৃপক্ষই ক'লে যে কাজিৰঙা ৰাষ্ট্রীয় উদ্যানলৈ নিয়াৰ সপক্ষত মত বেছি হৈছে বাবে তালৈকে নিয়া হ'ব। কিছুসংখ্যক ছাত্র-ছাত্রী আকৌ পূর্বতে কাজিৰঙালৈ যোৱাৰ অভিজ্ঞতা থকা বাবে যাবই নুখুজিলে। তথাপি দুয়োটা শ্রেণীৰ পঞ্চাশগৰাকী ছাত্র-ছাত্রী আৰু পাঁচ-ছয়গৰাকী শিক্ষক-শিক্ষয়িত্রী মিলি দলটো ডাঙৰেই হ'ল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ছাত্ৰ-ছাত্ৰীসকলক লগত নিব লগা প্ৰয়োজনীয় বয়-বস্তুৰ তালিকা দিয়া হ'ল। লগতে ইয়াকো কোৱা হ'ল যে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে নিব লগা বয়-বস্তু যাতে আনৰ সহায় নোলোৱাকৈ নিজেই গোটাই ল'বলৈ যত্ন কৰে। কেমেৰা, ম'বাইল ফোন ভুলতো যাতে কোনেও লগত নলয়।

পাহি আৰু ককায়েক পল অৰণ্যলৈ যাবলৈ সাজু হ'ল। পল নৱম শ্ৰেণীত আৰু পাহি অষ্টম শ্ৰেণীত পঢ়ে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কিন্তু পাহিয়ে মন কৰিলে, তাই শিক্ষকে দিয়া তালিকা অনুসৰি বস্তুবোৰ গোটাইছে; পলে একো কৰাই নাই। গৰমৰ বন্ধ আৰম্ভ হোৱা দিনটোৰ পৰাই, পলে পুৱা পঢ়া-শুনা কমকৈ কৰে, বেলিকৈও শুই উঠে। সুধিলে কয়-'স্কুল বন্ধ, অলপ বেলিলৈকে শুলে একো নহয়।' পাহিয়ে পুৱা চাহ-জলপান খোৱাৰ পাছত মাকক বাচন-বৰ্তন ধোৱা আৰু ঘৰৰ আচবাবৰ ধূলি মচা-সৰাত সহায় কৰি দিয়ে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পলে খোৱা কাঁহী-বাটি এৰি থৈ গ'লে পাহিৰ খং উঠে আৰু কয়- 'পল দাদা, এইখিনি কোনে ধুবলৈ বুলি এৰি গৈছা? স্কুল থাকিলে তোমাক ধুবলৈ নকওঁ, কিন্তু এতিয়া স্কুল বন্ধ, নিজৰ কাম নিজেই নকৰা কিয়?'

পলে হাঁহি মাৰি উত্তৰ দিলে-'মইতো ল'ৰা। এইবোৰ ছোৱালীৰ কাম, তোমালোকে কৰা। মইতো দেউতাক এইবোৰ কাম কৰা দেখা নাই।'

পলৰ কথা শুনি পাহিয়ে মাকক এদিন সুধিলে- 'মা, ল'ৰা আৰু ছোৱালীৰ কামবোৰ কোনে পৃথক কৰিলে?

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ময়ো দেখোন দাদাৰ দৰেই পঢ়া-শুনা কৰোঁ। দাদাই কিয় নিজৰ পিন্ধা কাপোৰ জাপি নথয়, জোতাযোৰ পৰিষ্কাৰকৈ নাৰাখে, গা ধোৱাৰ পাছত তিতি থকা গামোচাখন কিয় বিছনাতে পেলাই থৈ যায়? দাদাই এই কামবোৰ কিয় তুমি কৰি দিবা বুলি ভাবে, বা মই কৰি দিম বুলি ভাবে? ল'ৰাই নিজৰ জোতাযোৰ পৰিষ্কাৰ কৰিব নালাগে বা নিজে খোৱা কাঁহীখন কেতিয়াও খুব নালাগে বুলি ক'ৰবাত লিখা আছে নেকি?'

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

মাকে হাঁহি মাৰি ক'লে-'পাহি সোণজনী, তুমি নিজেই দেখিছা, তোমালোকে যি বয়সত যিবোৰ কাম কৰিব পাৰা, সেই কাম বয়স অনুযায়ী মই শিকাই আহিছোঁ তোমালোক দুয়োটাকে। তোমালোকে পড়াশুনা কৰি এসময়ত ভাল চাকৰি বা ব্যৱসায় কৰিবা, ধন উপার্জন কৰিবা। কিন্তু নিজৰ প্রয়োজনীয় কামখিনি কৰিব নাজানিলে পৰনির্ভৰশীল হ'বলৈ বাধ্য হ'বা। তেতিয়া কেতিয়াবা সময়েও তোমালোকক ঠগিব আৰু মানুহেও ঠগিব।'

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পাহিয়ে ককায়েকৰ পিঠিত ঢকা এটা মাৰি ক'লে-'শুনিছা দাদা, মায়ে কি কৈছে? তুমি যে বিপদত পৰিবা এদিন, সেয়া খাটাং। তুমি নিজৰ কামবোৰ মায়ে কৰিব বুলি থোৱা নহয়, মায়ে মৰমতে এতিয়া কৰি দিয়ে, যেতিয়া বাহিৰত থাকি পঢ়িবা, কাম কৰিবা, তেতিয়া কোনে কৰি দিব?'

পলো কম নহয়। পাহিৰ চুলি একোঁচা টানি কয়-'তেতিয়া নিজে কৰিম নহয়, নহ'লে তোক লৈ আহিম, তই কৰিবি'

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ইয়াৰ পাছতে আৰম্ভ হয় দুয়োটা ককাই-ভনীৰ খেদাখেদি, এটাই যদি পিঠিত ঢকা মাৰে, আনটোৱে জিভা উলিয়াই চিঞৰি দিয়ে। মাকেই অৱশেষত মিঠাই, বিস্কুট নতুবা বাৰীত লগা কলথোকৰ পকা কল দুটা সিহঁতৰ হাতত দি কাজিয়াৰ সামৰণি মাৰিব লগা হয়।

গৰমৰ বন্ধৰ অৰণ্যযাত্ৰাৰ আগদিনা আবেলি পাহিয়ে নিজৰ পিঠিত ল'ব পৰা ডাঙৰ বেগটোত তালিকাত লিখামতেই বস্তু ভৰাই গ'ল। এখন ডাঙৰ আৰু এখন সৰু টোকাবহী, কাপোৰৰ আৰামদায়ক জোতা, টুপী, পাতল গামোচা,

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

প্ৰাথমিক চিকিৎসাৰ ঔষধ, টৰ্চলাইট, কপাহী কাপোৰ, কলম ইত্যাদি। পাহিয়ে নিজৰ বয়-বস্তু লোৱাৰ পাছত পলৰ পিঠিত লোৱা বেগটো চাই আচৰিত হৈ গ'ল। পলে একো ভৱোৱাই নাই। পল সন্ধিয়া ক্ৰিকেট খেলি অহাৰ পাছত পাহিয়ে দেখুৱালে নিজে গোটোৱা বস্তুবোৰ। পলে তেতিয়াহে চিঞৰ-বাখৰ আৰম্ভ কৰিলে- 'মই বাৰু পাহৰিলোঁ, তই মোৰ বস্তুকেইটাও লগতে বেগত ভৰাই সাজু কৰি দিব নোৱাৰিলি। অ' মা, মা...'
পলৰ চিঞৰত মাক দৌৰি আহিল ৰান্ধনিঘৰৰ পৰা।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

'চোৱাচোন মা, কাইলৈ ৰাতিপুৱা আমি যাম, পাহিয়ে নিজৰ বস্তুবোৰ সামৰি ল'লে, মোৰ বাবে একো কৰি নিদিলে, মই নাযাওঁ...।'

পলৰ ঠেহ ভাঙিবলৈ মাকে ক'লে-'তুমি নিজৰ বস্তু সামৰি গোটাই লোৱা নাই কিয়? এয়া পাহিৰ দোষ নহয়, তোমাৰ দোষ। ঠিক আছে, নোযোৱাকৈ থাকিব নালাগে, মই তোমাৰ নিব লগা বেগটো সাজু কৰি দিম-এতিয়া মন মাৰি নাথাকিবা।'

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

বেলি উদয় হোৱাৰ আগতেই পাহিয়ে সাৰ পাই খিৰিকীৰে বাহিৰলৈ চালে। আন্ধাৰ হৈয়ে আছে। ঘড়ীত 'এলাৰ্ম' দিয়া আছে, তথাপি পাহিয়ে আকৌ টোপনি যাবলৈ ভয় কৰিলে। বিছনাতে বাগৰি পাহিয়ে কল্পনাৰে এখন সেউজ অৰণ্যৰ মাজলৈ যাত্ৰা কৰিলে। পাহিয়ে গছ-লতা, ফুল বৰ ভাল পায়। কিন্তু সৰু চহৰত থকা সিহঁতৰ ঘৰখনত মাটি কম বাবে টাবতহে ফুল লগাব পাৰে। তথাপি পাহিয়ে ৰৈ ৰৈ চায় ওখ গছবোৰ। প্ৰতিজোপা গছৰ ৰং ভিন্ন, পাতৰ আকাৰ ভিন্ন;

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

তামোলগছৰ কাষতে থকা আমগছজোপাৰ চেহেৰাৰ মিল নাই, দুজোপা ভিন্ন ধৰণৰ গছ যদিও ওচৰা-উচৰিকৈ মিলা-প্ৰীতিৰে থাকে। আকৌ কলগছজোপাৰ কাষতে থাকে নেমুগছজোপা; নেমুৰ কাঁইটে কলগছজোপাক কেতিয়াও বিন্ধিবলৈ নাযায়। প্ৰকৃতিৰ এই সুন্দৰ নিয়মবোৰ গছবোৰে মানি চলে, সেইবাবেই পাহিয়ে গছ ভাল পায়। এনেতেই বাজিল ঘড়ীৰ সংকেত। পাহি একেজাঁপেই বিছনাৰ পৰা নামিল। পলক গাত হেঁচুকি জগালে আৰু মুখ-দাঁত পৰিষ্কাৰ কৰিবলৈ পাহি কোঠাৰপৰা ওলাই গ'ল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পল আৰু পাহিয়ে চাহ-জলপান খাই স্ফূৰ্তিৰে যাবলৈ ওলাওঁতেই মাক আৰু দেউতাক সিহঁত দুয়োটাৰে ওচৰত থিয় হ'লহি। দেউতাকে ক'লে- 'শিক্ষকৰ লগ নেৰিবা, যি কথা কয়, সেইমতে চলিবা। মই খবৰ লৈ থাকিম।'

মাকে ক'লে - তোমালোকে পৃথিৱীৰ ভিতৰতে যশস্যা থকা এখন অৰণ্যলৈ যাবলৈ ওলাইছা, অৰণ্যৰপৰা শিকিব লগা বহুত কথা আছে। যিমান পাৰা শিকিবা আৰু নিজৰ লগতে নিজৰ বয় বস্তুবোৰ চম্ভালিবা।'

পাহি আৰু পলে মাক-দেউতাকৰ ভৰি চুই আশীৰ্বাদ ল'লে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

যাত্ৰাৰ আনন্দ

বেছ হুলস্থুল আৰু গান-নাচ কৰি দুখন বাছ আগবাঢ়িছে কাজিৰঙা অভয়াৰণ্যৰ দিশে। দুয়োখন বাছৰ ল'ৰা-ছোৱালীবোৰে এইদৰে একেলগে সমনীয়াৰ সৈতে অহাৰ আনন্দ আগেয়ে পোৱা নাছিল। বাছৰ ভিতৰতে শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীৰ মাজৰপৰা নেতা-নেত্ৰী পাতি দিলে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পাহি আৰু বিদিশাক দায়িত্ব দিয়া হ'ল বাছত থকা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা গণনা কৰিবলৈ আৰু অসুবিধাসমূহলৈ মন দিবলৈ। নৱম শ্ৰেণীৰ সৌৰভ আৰু আফতাবক দায়িত্ব দিয়া হ'ল খাদ্যবস্তুৰ পেকেট আৰু পানীৰ বটল সকলোৰে মাজত সমভাৱে বিতৰণ কৰিবলৈ। সৌৰভে কামটো টান পাই ক'লে-'পাহি আৰু বিদিশাই খাদ্য বিলাওক, আমি সিহঁতক দিয়া কামটো কৰোঁ। কাৰণ আমি ল'ৰা, লগৰীয়াবোৰে উৎপাত কৰিলে শাসনো কৰিব পাৰিম আৰু অসুবিধাবোৰলৈও মন দিব পাৰিম।'

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

আফতাবেও সৌৰভৰ কথাত হয়ভৰ দিলে। অংকৰ শিক্ষক ৰঞ্জিত হাজৰিকা ছাৰে খং কৰি ক'লে তেতিয়া 'কামত ল'ৰা-ছোৱালী বুলি ভাগ নাই। যেনেকৈ কাম ভাগ কৰি দিছোঁ তেনেকৈ কৰা। পাহি বা বিদিশাক যি কাম দিছোঁ, তেওঁলোকেতো আপত্তি কৰা নাই। তেওঁলোকক খাদ্য বিতৰণ কৰিবলৈ দিলেও কৰিব। অর্থাৎ তেওঁলোকে দুয়োটা কাম ভালদৰে কৰিব পাৰিব।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

তোমালোকেহে এটা কাম পাৰিলে আনটো নোৱাৰা। তেন্তে দুৰ্বল কোন? সৌৰভ আৰু আফতাব নহয় জানো? সৌৰভে লাজতে ক'লে- 'ছাৰ পাৰিম-পাৰিম।' সকলোৱে গির্জনি মাৰি হাঁহিলে সৌৰভৰ কথাত।

বিজ্ঞানৰ শিক্ষয়িত্রী মালৰিকা বাইদেৱে উচ্চ স্বৰত ক'লে-'মৰমৰ ছাত্র-ছাত্রীহঁত, শুনা শুনা।' সকলো নীৰৱ হৈ গ'ল তৎক্ষণাত। বাইদেৱে কৈ গ'ল-'তোমালোকক আমি এইকেইদিন প্রতিটো মুহূর্ততে পর্যবেক্ষণ কৰিম।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

তোমালোকে সমনীয়াৰ সৈতে ভালদৰে মিলা-প্ৰীতিৰে থাকিবা, শিক্ষকৰ কথা শুনিবা আৰু কি কি দেখিলা, শিকিলা তোমালোকৰ টোকাবহীত লিখি যাবা।'

সমস্বৰে সকলোৱে হয়ভৰ দিলে, 'হয় বাইদেউ।'

ইয়াৰ পাছতে, অসমীয়া বিষয়ৰ শিক্ষক তপন বৰুৱাই ক'বলৈ আৰম্ভ কৰিলে-'তোমালোক সকলোৱে জানা, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান এশিঙীয়া গঁড়ৰ বাবে পৃথিৱীবিখ্যাত।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কিন্তু তোমালোকক কৰল গঁড় চাবলৈকে আমি লৈ অহা নাই। তোমালোকে অৰণ্যৰ গছ-গছনি, লতা, তৃণ সকলোবোৰ ভালদৰে চাবা। আমাৰ পৃথিৱীখনত কোনো বস্তু এনেই সৃষ্টি হোৱা নাই।' প্ৰতিজোপা গছৰ যিদৰে প্ৰয়োজন, তেনেদৰে কীট-পতংগৰো প্ৰয়োজন। গছ আৰু বহু জীৱই বায়ুত থকা এঙাৰ গেছ সেৱন কৰি অম্লজান বায়ুত এৰি দিয়ে। যি অম্লজানে মানুহক সুস্থ শৰীৰেৰে জীয়াই ৰাখে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

আমি চিকিৎসালয়ত বহু ৰোগীক মুখত অম্লজানৰ মুখা পিন্ধাই উশাহ-নিশাহ স্বাভাবিকভাবে লোৱাত সহায় কৰা দেখোঁ। সাগৰতলিলৈ যোৱা ডুবাৰুসকলক এনে অম্লজানৰ চুঙা পিঠিত বান্ধি লৈ যোৱা দেখোঁ। কিন্তু আমি বিনামূল্যে অম্লজান লাভ কৰিছোঁ। আমি য'তেই নাথাকোঁ, অতি কমেও পঁয়ত্রিশ শতাংশ অম্লজান আমি লাভ নকৰিলে শৰীৰ সুস্থ হৈ নাথাকে। একোখন অৰণ্য মানুহৰ হাওঁফাওঁৰ দৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সেয়েহে একোখন অৰণ্যক, গছ-গছনিক সুৰক্ষা দিয়াৰ দায়িত্ব তোমালোকৰ আছে। গছে ফল দিয়ে, ছাঁ দিয়ে, চৰাই-চিৰিকটি, কীট-পতংগক আশ্রয় দিয়ে; কিন্তু সকলোতকৈ ডাঙৰ কথা, ফল নিদিয়া গছেও আমাক জীয়াই থকাৰ প্রধান সমল অম্লজান দিয়ে। কাইলৈ দোকমোকালিতে উঠি আমি অৰণ্যৰ ভিতৰলৈ যাম। তোমালোকে জানিব খোজা প্রশ্নবোৰৰ উত্তৰ সকলো পাবা। সকলো প্রশ্ন আৰু উত্তৰ লিখি যাবা।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পুৱা চাৰি বজাত শুই উঠি পৰিষ্কাৰ হৈ ওলাবা। বেগত প্ৰয়োজনীয় বস্তুবোৰ ল'বা। কোনোবাই পলম কৰিলে লগত লৈ যোৱা নহ'ব।'

পাছৰ কথাখিনি শুনি সকলোৱে বু বু-বা বাকৈ কোলাহল কৰিলে। পলে চিঞৰিয়েই দিলে- 'পুৱা চাৰি বজাত! হে ভগৱান! বহুতৰে আপত্তি আৰম্ভ হ'ল, ফুৰিবলৈ আহিও পুৱা চাৰি বজাত উঠিব লাগিবনে? পৰীক্ষাও নাই এতিয়া দেখোন। মালৰিকা বাইদেৱে সুধিলে 'গঁড়, হাতী, হৰিণা পহু চাবলৈ কাৰ কাৰ মন আছে।'

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সকলোৱে হাত দাঙিলে।

'পুৱা চাৰি বজাত কোন কোন উঠিবা?'

কিছুমানে হাত তুলিলে, কিছুমানে হাত নুতুলিলে। মালৱিকা বাইদেৱে ক'লে-'ঠিক আছে, যিয়ে চাৰি বজাত উঠিব সিয়ে জীৱ-জন্তুবোৰ দেখিব, আৰু যিয়ে পুৱা চাৰিবজাতে সাজু হ'ব নোৱাৰে, সি চাব নালাগে, আমি শুবলৈ দিম।'

সকলোৱে তেতিয়া চিঞৰ-বাখৰকৈ ক'লে-আমি চাৰি বজাতে উঠিম-উঠিম।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

হাঁহি-আনন্দৰে এইদৰে আহোঁতেই কেতিয়া বাছ দুখন আহি কাজিৰঙা পাবৰ হ'ল, কোনেও গমকে নাপালে।



Under CSR Support by ipca Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো





১। বিদ্যালয়ৰ অষ্টম আৰু নৱম শ্ৰেণীৰ শিক্ষার্থীসকলক কোনখন অৰণ্যলৈ নিয়াৰ সিদ্ধান্ত লৈছিল?

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো





২। পল আৰু পাহি কোন কোন শ্ৰেণীত পঢ়ে?

নৱম শ্ৰেণী
অষ্টম শ্ৰেণী

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো





৩। পলে কোনবোৰ কাম ছোৱালীৰ বুলি পাহিক কৈছিল?

মূল্যায়ন



পাঠ আৰু বিদ্যালয়

৪। কাক বাছত থকা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা গণনা কৰিবলৈ আৰু অসুবিধাসমূহলৈ মন দিবলৈ দায়িত্ব দিয়া হৈছিল ?